অসমীয়া লোক-সংস্কৃতিক চাৰিটা ভাগত ভগাব পাৰি: (ক) মৌখিক লোকবিদ্যা বা লোকসংস্কৃতি, (খ) সামাজিক লোক প্ৰথা বা লোকাচাৰ, (গ) ভৌতিক সংস্কৃতি আৰু (ঘ) লোকপৰিবেশ্যকলা। মৌখিক লোকবিদ্যাৰ ভিতৰত পৰে লোককবিতা, লোককাহিনী, লোকোক্তি, লোকভাষা আদি। লোক-কবিতাৰ ক্ষেত্ৰত অসমৰ লোক সংস্কৃতি চহকী। বিহুগীত, হুচৰি, বিয়ানাম, ভাৱইয়া, চট্‌কা, মৈসালী, মাউত-গীত, বন্দনা বা স্তুতি বিষয়ক গীত, দেহ-বিচাৰৰ গীত, জিকিৰ, জাৰী, নামৰ লগত জৰিত গীত, বাৰমাহী গীত, নৈদানিক গীত, বেলাড, যেনে: বদন বৰফুকনৰ গীত, জয়মতীৰ গীত, মণিকোঁৱৰ-ফুলকোঁৱৰৰ গীত, জনাগাভৰুৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, কমলা কুঁৱৰী গীত, পথৰুঘাটৰ ৰণৰ বৰ্ণনা বিশিষ্ট গীত, চিকণসৰিয়হৰ গীত, ৰাধিকাশান্তিৰ গীত, মলুৱাৰ গীত, তামোল চোৰৰ গীত, ভূইকঁপৰ গীত, বামুণ-পুৰাণৰ গীত ইত্যাদি; নিচুকনি গীত, ধাইনাম, কৰ্মগীত, গৰখীয়া গীত, নাঙেলী গীত আদি লোক কবিতাৰ ভিতৰত পৰে। জনজাতীয় ভাষাসমূহো লোক গীতত চহকী। মিচিঙৰ অই-নিতম, কবান নিতম, দয়িং নিতম, মিদাং নিতম; ডিমাছাৰ প্ৰাৰ্থনা গীত, বিসু গীত, প্ৰেম-প্ৰণয় মূলক গীত, বিয়া-গীত বিশেষকৈ ডিমাছা লোক গীত বেলাড়ৰ ক্ষেত্ৰত অতিকৈ চহকী। ডিক্ৰু, স্নেহদুৰী, অমলুহ-দিমলুহ আদি বেলাডে ডিমাছা সংস্কৃতিক বিশেষত্ব প্ৰদান কৰিছে। বৰো-কছাৰীসকলৰ বৈসাগু গীত, প্ৰেম-প্ৰণয়মূলক গীত, প্ৰাৰ্থনা, দাৰ্শনিক গীত, বেলাড (যেনে: বাহিৰাম, বাওবুলি), সোণোৱাল সকলৰ হাইদাং গীত আদি উল্লেখযোগ্য। তেনেদৰে ৰাভা-মৌখিক সাহিত্য বিভিন্ন গীতৰ বাবে প্ৰসিদ্ধ।

লোক-কাহিনীৰ (মিথ, জনশ্ৰুতি, সাধুকথা) ক্ষেত্ৰত অসমীয়া লোকসংস্কৃতি দুখীয়া নহয়। সাধুকথাৰ প্ৰসংগত জনজাতীয় সংস্কৃতি আৰু অজনজাতীয় লোকসংস্কৃতিৰ মাজত নিয়তভাবে চলি থকা অন্যোন্যাক্ৰিয়াৰ নিদৰ্শন পোৱা যায়।

যোজোনা (যোজনা), পটন্তৰ, সাঁথৰ, দিষ্টান, ফকৰা, নিচুকনি গীত, ধাইনাম আদিও অসমৰ জনজাতীয় আৰু অজনজাতীয় লোকসংস্কৃতিৰ উল্লেখযোগ্য সমল।

সামাজিক লোকপ্ৰথা বা লোকাচাৰৰ পৰিসীমাত উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, লোক-ঔষধ আৰু লোকধৰ্ম পৰে। অসমৰ অজনজাতীয় আৰু জনজাতীয়সকলে বছৰটোৰ ভিতৰত বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰে। উদাহৰণ স্বৰূপে বিহু, বৈসাগু, বিসু, [illegible], ভঠেলি, সুৰী. পাৱৰা বা দহৰ ফুৰৱা, বায়খো, পুষ-পৰৱ (তুসু-পূজা), পচতি,

মহনী, দেউল, হুদুম-পূজা, ভেকুলিৰ বিয়া, বাম্বোলপিতা, আমতি বা আমেতি, বংকেৰ, হাহাং, ছাগ্ৰাম-ছাৱা, বৰত, চুমাংকান, ফাককান্টি আদি উৎসৱ-অনুষ্ঠানৰ লগত উৰ্বৰতা যাদু সম্পৃক্ত। অসমত অতি প্ৰাচীন কালৰেপৰা পৰম্পৰাগতভাৱে বিভিন্ন খেলধেমালি চলি আহিছে। এইবোৰৰ ভিতৰত টাংগুটি, চিউ-উ, ভেল কুটি কুটি, খোপ বা বাণ্টা বা ভাণ্টা খেল, লুকালুকি, বাঘ-গৰু, ফটিক-টেকেলি, কুকুৰাযুঁজ আদি উল্লেখযোগ্য। লোক-জীৱনত ঔষধ-পাতিৰ ব্যৱহাৰো পৰম্পৰাগতভাৱে চলি আহিছে। গাঁৱৰ বেজ বা ওজাই বিভিন্ন ৰোগত বিভিন্ন থলুৱা অৰ্থাৎ আসুৰিক ঔষধ দিয়ে। ওজাই মন্ত্ৰৰ সহায়তে ৰোগ নিৰাময় কৰিবলৈ প্ৰয়াস কৰে; অথবা বিভিন্ন বনৌষধিৰ সহায়ত ৰোগ উপশম কৰে। লোকজীৱনত জগত-জীৱন সম্পৰ্কে বিভিন্ন বিশ্বাস চলি আছে। এনে বিশ্বাসৰ ওপৰতেই ধৰ্মৰ বুনিয়াদ ৰচনা কৰা হয়। যাদুমূলক বিশ্বাসৰ আধাৰত ধৰ্মীয় বিশ্বাসৰ সৃষ্টি হয়।

ভৌতিক সংস্কৃতিৰ পৰিসীমাত প্ৰাত্যহিক জীৱনৰ প্ৰয়োজনীয় ভৌতিক বস্তুবোৰ সামৰিব পাৰি। বাচন-বৰ্তন, ঘৰ-দুৱাৰ, অস্ত্ৰ-অলংকাৰ, স্থপতিবিদ্যা, ৰন্ধন প্ৰণালী, চিত্ৰকলা আদি ভৌতিক সংস্কৃতিৰ ভিতৰত পৰে।

লোক-কলা বা পৰিৱেশ্য কলা-ৰীতিয়ে অসমৰ লোক-সংস্কৃতিত বৈচিত্ৰ্য প্ৰদান কৰিছে। পুতলা ভাওৰীয়া বা পুতলা নাচ, ঢুলীয়া, খুলীয়া ভাওৰীয়া, ওজাপালি, দেওধনী, দেৱদাসী, কুশানগান, ভাৰীগান, ভাওগান, ফাককান্টি, খেৰাই, বাগৰুম্বা আদি অনুষ্ঠান লোককলাৰ ভিতৰত পৰে। লোককলা নাট-গীত-নৃত্যৰ সমন্বয় মাথোন। অৱশ্যে কোনো কোনো প্ৰসংগত নাটৰ উপাদান গীত-নৃত্যৰ উপাদানৰ তুলনাত কম হ'ব পাৰে। পৰিৱেশ্য কলা-ৰীতিবো মুখ্য উদ্দেশ্য অভিজ্ঞাপন। অনেক ক্ষেত্ৰত পৰম্পৰাগত মৌখিক গীত আৰু পৰম্পৰাগত লোক-নৃত্যৰ নামকৰণ সেই গীত বা নৃত্যৰ লগত বিজৰিত পৰিৱেশ্য-কলাৰ নামেৰে ৰখা হয়। অনেক ক্ষেত্ৰত উৎসৱ-অনুষ্ঠানৰ নামেৰেও গীত-নৃত্য আৰু অভিনয়ৰ অৰ্থাৎ লোকনাটৰ নাম ৰখা হ'ব পাৰে; যেনে: বিহু উৎসৱৰ লগত জৰিত গীত আৰু নৃত্যৰ নাম ক্ৰমে বিহু গীত আৰু বিহু নাচ বা নৃত্য। বৈসাগু- উৎসৱৰ লগত সম্পৃক্ত গীত আৰু নৃত্য ক্ৰমে বৈসাগু গীত আৰু বৈসাগু নাচ নামেৰে পৰিচিত। পচতি-উৎসৱৰ লগত জৰিত গীত-পদৰ নাম পচতিৰ গীত-পদ। হুদুম-পূজাৰ সৈতে সম্পৃক্ত গীত-পদ আৰু নৃত্য ক্ৰমে 'হুদুম-পূজাৰ গীত-পদ'' আৰু 'হুদুম-পূজাৰ নৃত্য' নামেৰে জনাজাত। ধৰ্মীয় প্ৰসংগৰ সৈতে জৰিত দৃশ্য-শ্ৰব্য কলাৰূপৰ লগত মিথ, জনশ্ৰুতি আদিও সম্পৃক্ত হৈ থকা দেখা যায়।